**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-05-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***
***--------------------***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে, বিগত ১০টা বছৰত এন ডি এ চৰকাৰৰ সফলতাসমূহৰ কৃতিত্ব জনসাধাৰণক প্ৰদান কৰিছে।

২। লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ত কালি প্ৰায় ৬৪ দশমিক ৫-৮ শতাংশ ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰে।

৩। অৰবিন্দ কেজৰিৱালৰ গ্ৰেপ্তাৰে দলটোক দুৰ্বল কৰা নাই বৰং শক্তিশালীহে কৰিছে বুলি আম আদমী পাৰ্টীয়ে প্ৰকাশ কৰিছে।

৪। সমগ্ৰ বিশ্বতে আজি আন্তঃৰাষ্ট্ৰীয় ৰেড ক্ৰ'ছ দিৱস পালন কৰা হৈছে।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে, বিগত ১০টা বছৰত এন ডি এ চৰকাৰৰ সফলতাসমূহৰ কৃতিত্ব জনসাধাৰণক প্ৰদান কৰিছে। তেওঁ কয় যে, জনসাধাৰণে তেওঁক প্ৰদান কৰা ভোটৰ জৰিয়তে দেশ প্ৰতিৰক্ষা সামগ্ৰী আমদানীকাৰী এখন দেশৰ পৰা এনে সামগ্ৰী ৰপ্তানীকাৰী দেশলৈ ৰূপান্তৰিত হৈছে। কাশ্মীৰৰ পৰা ৩৭০ নম্বৰ দফা বাতিলৰ লগতে এনেধৰণৰ বিভিন্ন পদক্ষেপ গ্ৰহণ কৰাৰ ক্ষেত্ৰত জনসাধাৰণে ভোটদানৰ জৰিয়তে দলটোৰ প্ৰতি দেখুওৱা আস্থাৰ বাবেহে সম্ভৱ হৈ উঠে বুলিও তেওঁ কয়। কৰিমনগৰ লোকসভা সমষ্টিৰ ভেমুল্লাবাড়াত স্থানীয় প্ৰাৰ্থী তথা বিজেপিৰ সাধাৰণ সম্পাদক বান্দি সঞ্জয় কুমাৰৰ হকে প্ৰধানমন্ত্ৰীয়ে এখন জনসভাত চলোৱা সময়ত এইদৰে প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে বি আৰ এছ আৰু তেলেংগানাৰ কংগ্ৰেছ চৰকাৰক কঠোৰ ভাষাৰে সমালোচনা কৰাৰ লগতে কংগ্ৰেছৰ পৰিয়াল প্ৰথম নীতিৰ বিপৰীতে বিজেপিয়ে ৰাষ্ট্ৰ প্ৰথম নীতিত গুৰুত্ব আৰোপ কৰি আহিছে বুলি মন্তব্য কৰে। শ্ৰীমোদীয়ে লগতে কয় যে, এই ৰাজনৈতিক দলসমূহ পৰিয়ালৰ বাবে, পৰিয়ালৰ পৰা আৰু পৰিয়ালৰ দ্বাৰা নীতিৰে পৰিচালিত আৰু দুৰ্নীতি তথা স্বজন-তোষণৰ সৈতেহে জড়িত। তেওঁ বি আৰ এছ আৰু কংগ্ৰেছ দুয়োটা দলকে একেটা মুদ্ৰাৰ দুটা পিঠি বুলি অভিযোগ তোলে। তেওঁ কয় যে, এই দুয়োটা দলৰে দুৰ্নীতি আৰু স্বজন-তোষণৰ ৰাজনীতিৰ পৰা তেলেংগানাক নিৰাপদে ৰখা অতি প্ৰয়োজন। বি আৰ এছে তেলেংগানাৰ সকলো সপোন চূৰ্ণ কৰাৰ লগতে কংগ্ৰেছো একে পথৰে পথিক বুলি তেওঁ মত পোষণ কৰে। বিজেপিৰ নেতাগৰাকীয়ে লগতে কালি সম্পন্ন হোৱা তৃতীয় পৰ্যায়ৰ নিৰ্বাচন সম্পৰ্কে মত প্ৰকাশ কৰাৰ লগতে কংগ্ৰেছ আৰু আই এন ডি আইৰ মাজৰ মিত্ৰজোঁটে সমস্যা সৃষ্টি

কৰিব বুলিও অভিযোগ তোলে। প্ৰধানমন্ত্ৰীয়ে ইয়াৰ পূৰ্বে ভেমুল্লাবাড়াত শ্ৰীৰাজা ৰাজেশ্বৰ স্বামী দেৱস্থানমত সেৱা জনায়।

তেওঁ ৰাৰাংগল লোকসভা সমষ্টিৰ এখন জনসভাতো দলীয় প্ৰাৰ্থী আৰুৰী ৰমেশৰ সমৰ্থনত ভাষণ দিব। শ্ৰীমোদীয়ে ইয়াৰ পাছত অন্ধ্ৰপ্ৰদেশৰ ৰাজমপেটত নিৰ্বাচনী প্ৰচাৰৰ উদ্দেশ্যে ৰাওনা হ'ব। ইপিনে ৰাজস্থানৰ মুখ্যমন্ত্ৰী ভজনলাল শৰ্মাই ৰাজ্যখনৰ ছাভেল্লা সমষ্টিত আজি নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰী তথা প্ৰদেশ কংগ্ৰেছ মুৰববী ৰেভন্থ ৰেড্ডীয়েও আৰমুৰৰ এখন জনসভাত ভাষণ দিয়াৰ লগতে নিজামাবাদত এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰিব। ইফালে বি আৰ এছৰ মুৰববী কে চন্দ্ৰশেখৰ ৰাৱেও নাৰ্ছাপুৰ আৰু পটনছেৰুত আজি দুটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰিব।

০০০০০০

লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ত কালি প্ৰায় ৬৪ দশমিক ৫-৮ শতাংশ ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰে। এই পৰ্যায়ত ১০খন ৰাজ্য আৰু এটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৯৩টা সমষ্টিত ভোটগ্ৰহণ কৰা হয়। তৃতীয় পৰ্যায়ত সামৰি লোৱা ১০ খন ৰাজ্য আৰু এটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ভিতৰত অসমত ৮১ দশমিক ৭-১ শতাংশ, বিহাৰত ৫৮ দশমিক ১-৮ শতাংশ, ছত্তিশগড়ত ৭১ দশমিক ০-৬ শতাংশ, দাদৰা-নগৰ হাভেলি আৰু দমন-দিউত ৬৯ দশমিক ৮-৭ শতাংশ, গুজৰাটত ৫৮ দশমিক ৯-৮ শতাংশ, কৰ্ণাটকত ৭০ দশমিক ৪-১ শতাংশ, গোৱাত ৭৫ দশমিক ২-০ শতাংশ, মধ্যপ্ৰদেশত ৬৬ দশমিক ০-৫ শতাংশ, মহাৰাষ্ট্ৰত ৬১ দশমিক ৪-৪ শতাংশ, উত্তৰ প্ৰদেশত ৫৭ দশমিক ৩-৪ শতাংশ আৰু পশ্চিমবংগত ৭৫ দশমিক ৭-৯ শতাংশ ভোটদান হয়।

নিৰ্বাচন আয়োগে প্ৰকাশ কৰা মতে, তৃতীয় পৰ্যায়ত গুজৰাটৰ ২৫টা, কৰ্ণাটকৰ ১৪টা, মহাৰাষ্ট্ৰৰ ১১টা, উত্তৰ প্ৰদেশৰ ১০টা, মধ্যপ্ৰদেশৰ ৯টা, ছত্তিশগড়ৰ ৭টা, বিহাৰৰ ৫টা, অসমৰ ৪টা, পশ্চিমবংগৰ ৪টা, গোৱাৰ দুটা সমষ্টিৰ লগতে কেন্দ্ৰীয় শাসিত দাদৰা-নগৰ হাভেলি আৰু দমন-ডিউৰ এটাকৈ সমষ্টিক সাঙুৰি লোৱা হয়। তৃতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ লগে লগে দেশৰ ২০খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ২৮৩টা সংসদীয় সমষ্টিত ভোটগ্ৰহণ প্ৰক্ৰিয়াৰ সামৰণি পৰিল। তৃতীয় পৰ্যায়ত ভোটগ্ৰহণৰ লগে লগে উত্তৰ-পূৰ্বাঞ্চলৰ সকলো ৰাজ্য, বাওঁপন্থী উগ্ৰবাদ প্ৰভাৱিত এলেকা ছত্তিশগড়, মহাৰাষ্ট্ৰ আৰু মধ্যপ্ৰদেশতো ভোটগ্ৰহণৰ প্ৰক্ৰিয়া সম্পন্ন হয়।

তৃতীয় পৰ্যায়ত মুঠ এহেজাৰ ৩৩১ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। এই পৰ্যায়ত প্ৰতিদ্বন্দ্বিতা কৰা উল্লেখযোগ্য প্ৰাৰ্থীসকলৰ ভিতৰত- বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহ, মনসুখ মন্দাভিয়া, জ্যোতিৰাদিত্য সিন্ধিয়া, প্ৰহ্লাদ যোশী, শিৱৰাজ সিং চৌহান, বাসৱৰাজ বোম্মাই, কংগ্ৰেছ নেতা দিগ্বিজয় সিং আৰু অধীৰৰঞ্জন চৌধুৰী, সমাজবাদী প্ৰাৰ্থীৰ ডিম্পল যাদৱ, এন চি পি শাৰদ পাৱাৰ গোটৰ সুপ্ৰিয়া সুলে অন্যতম।

০০০০০০

আম আদমী পাৰ্টীয়ে আজি কৈছে যে, অৰবিন্দ কেজৰিৱালৰ গ্ৰেপ্তাৰে দলটোক দুৰ্বল কৰা নাই বৰং শক্তিশালীহে কৰিছে। আপৰ জ্যেষ্ঠ নেতা গোপাল ৰায়ে সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত কৈছে যে, যদিও তেওঁলোকৰ দলৰ বহুকেইজন নেতা কাৰাবন্দী হৈ আছে তথাপি দলটোৱে লোকসভা নিৰ্বাচনৰ বাবে তীব্ৰভাৱে প্ৰচাৰ অভিযান চলাইছে। গোপাল ৰায়ে কৈছে যে, দিল্লী চৰকাৰৰ নীতিসমূহে মহিলা, বয়োজ্যেষ্ঠ, ব্যৱসায়ী আৰু শ্ৰমিক শ্ৰেণীৰ লোকসকলৰ লগতে দিল্লীৰ সমূহ স্তৰৰ নাগৰিকৰ প্ৰতি সুবিধা আগবঢ়াইছে।

আপ, বিজেপি আৰু কংগ্ৰেছ দলে লোকসভা নিৰ্বাচনৰ বাবে ৰাষ্ট্ৰীয় ৰাজধানীখনত প্ৰচাৰ অভিযান চলাই আহিছে। ৰাজস্থানৰ মন্ত্ৰী ৰাজ্যবৰ্ধন সিং ৰাথোৰে পূব দিল্লী সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী হৰ্ষ মালহোত্ৰা, কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীয়ে দক্ষিণ দিল্লীৰ সমষ্টিত দলৰ প্ৰাৰ্থী ৰামভিৰ সিং বিধুৰীৰ হৈ ৰাজহুৱা সভাত অংশগ্ৰহণ কৰিব। হাৰিয়ানাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী মনোহৰ লাল খাত্তাৰে উত্তৰ দিল্লী সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী মনোজ তিৱাৰীৰ সমৰ্থনত আজি সন্ধিয়া ৰাজহুৱা সভাত অংশগ্ৰহণ কৰিব। কংগ্ৰেছ প্ৰাৰ্থী উদিত ৰাজে উত্তৰ-পশ্চিম দিল্লী লোকসভা সমষ্টিৰ বাবে বিভিন্ন প্ৰান্তত নাগৰিকৰ সৈতে মত বিনিময় কৰিব। কংগ্ৰেছৰ আন দুগৰাকী প্ৰাৰ্থী জে পি আগৰৱাল আৰু কানহায়া কুমাৰে আজি নিজ নিজ সমষ্টিৰ বিভিন্ন অঞ্চলত প্ৰচাৰ অভিযান চলাব। মুঠ ৭খন আসনৰ ৪খন আসনৰ বাবে আপে আৰু ৩খন আসনৰ বাবে কংগ্ৰেছে মিত্ৰজোঁটৰ প্ৰাৰ্থী প্ৰদান কৰিছে। দিল্লীত ষষ্ঠ পৰ্যায়ৰ ভোটগ্ৰহণ অহা ২৫ মে'ত অনুষ্ঠিত হ'ব।

oooooo

সুৰক্ষা, সাহায্য, স্বাস্থ্যসেৱা, সামাজিক সাহায্য আৰু সংহতিৰ প্ৰয়োজনীয়তা থকা লোকসকলৰ কাষত কাম কৰা লাখ লাখ স্বেচ্ছাসেৱক আৰু কৰ্মচাৰীৰ প্ৰতি সন্মান জনাই আজি বিশ্ব ৰেড ক্ৰ'ছ বা ৰেড ক্ৰীচেণ্ট দিৱস পালন কৰা হৈছে। ৰেড ক্ৰ'ছ বা ৰেড ক্ৰীচেণ্ট আন্দোলনৰ মানৱীয় কাম আৰু নীতিক সন্মান জনাই প্ৰতি বছৰে ৮ মে'ৰ দিনটো আন্তঃৰাষ্ট্ৰীয় ৰেড ক্ৰ'ছ বা ৰেড ক্ৰীচেণ্ট দিৱস উদযাপন কৰা হয়। হেনৰি ডুৰাণ্ট নামৰ এগৰাকী ছুইছ নাগৰিকে আজিৰ পৰা ১৬০তকৈও অধিক বছৰ পূৰ্বে আন্তঃৰাষ্ট্ৰীয় ৰেড ক্ৰ'ছ আন্দোলনৰ গুৰি ধৰিছিল। বিশ্বজুৰি এই আন্দোলনৰ সৈতে প্ৰায় ৮ কোটি লোক জড়িত হৈ আছে, যিসকলে দুৰ্যোগ, সংঘাত আৰু স্বাস্থ্য তথা সামাজিক সমস্যাৰ সন্মুখীন হোৱা লোকক সহায় কৰি আহিছে।

oooooo

ৰিয়েৰ এড্‌মিৰেল ৰাজেশ ধনকাৰৰ নেতৃত্বত ভাৰতীয় নৌসেনাৰ এটা প্ৰতিনিধি দলে কালি ইনফৰমেচন ফিউজন ছিংগাপুৰ ভ্ৰমণ কৰে। এই ভ্ৰমণৰ উদ্দেশ্যে হৈছে সামুদ্ৰিক সুৰক্ষা আৰু সহযোগিতা বৃদ্ধি আৰু ভাৰত আৰু ছিংগাপুৰৰ মাজত বন্ধুত্ব শক্তিশালী কৰি তোলা। ভ্ৰমণৰ সময়ছোৱাত প্ৰতিনিধি দলটোৱে অঞ্চলটোৰ বৰ্তমানৰ সামুদ্ৰিক নিৰাপত্তাৰ পৰিৱেশ আৰু উত্থাপিত ভাবুকিসমূহ লাঘৱ কৰাৰ উপায়সমূহৰ বিষয়ে আলোচনা কৰে। তেওঁলোকে সামুদ্ৰিক প্ৰত্যাহ্বানসমূহ সহযোগিতাৰে সন্মুখীন হোৱাৰ ক্ষেত্ৰত আই এফ চি ছিংগাপুৰ আৰু ভাৰতীয় নৌসেনাৰ আই অ আৰৰ ভাবধাৰাসমূহ বিনিময়ৰ যোগেদি ৰূপায়ণ কৰাৰো পোষকতা কৰে।

oooooo

কেন্দ্ৰীয় তদন্তকাৰী সংস্থা চি বি আইয়ে ৰাছিয়ান সেনা বাহিনীত যুঁজাৰুৰ ভূমিকা লৈ ভাৰতীয় নাগৰিকক সৰবৰাহৰ সৈতে জড়িত গোচৰৰ ৪জন অভিযুক্তক গ্ৰেপ্তাৰ কৰিছে। চি বি আইয়ে কৈছে যে, দেশজুৰি এয়া মানৱ সৰবৰাহৰ ঘটনাৰ এখন বৃহৎ জাল, যাৰ জৰিয়তে যুৱ প্ৰজন্মৰ বহুতকে বহিঃ দেশত চাকৰিৰ প্ৰলোভন দিয়া হয়। এই ঘটনাৰ সৈতে জড়িত ৪জন অভিযুক্তৰ দুজন কেৰালা আৰু আন দুজন মুম্বাইৰ বুলি জানিব পৰা গৈছে।

সংস্থাটোৱে জনোৱা মতে এই সৰবৰাহকাৰী সকলে সামাজিক মাধ্যম আৰু স্থানীয় এজেণ্টৰ জৰিয়তে ভাৰতীয় নাগৰিকসকলক ৰাছিয়াত উচ্চ দৰমহা পোৱা চাকৰিৰ বাবে প্ৰলোভিত কৰিবলৈ সংগঠিত নেটৱৰ্ক হিচাপে কাম কৰি আহিছে। চি বি আইৰ মতে সৰবৰাহ কৰা ভাৰতীয় নাগৰিক কেইজনক যুঁজাৰুৰূপে প্ৰশিক্ষণ দিয়াৰ লগতে তেওঁলোকৰ ইচ্ছাৰ বিৰুদ্ধে ৰাছিয়া-ইউক্ৰেইন যুদ্ধক্ষেত্ৰৰ সমুখ সমৰত নিয়োগ কৰা

হৈছিল। ৰাছিয়ালৈ ভাৰতীয় নাগৰিক সৰবৰাহৰ লগত জড়িত ঘটনাত ব্যক্তিগত ভিছা কনছালটেন্সী ফাৰ্ম আৰু এজেণ্টৰ বিৰুদ্ধে মানৱ সৰবৰাহৰ গোচৰ ৰুজু কৰা হৈছে।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

দেলহি কেপিটেলছে যোৱানিশা দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ৰাজস্থান ৰয়েলছক ২০ ৰানত পৰাস্ত কৰে। খেলখনত দিল্লীয়ে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেটৰ বিনিময়ত ২২১ ৰান কৰে।

প্ৰত্যুত্তৰত ৰাজস্থান ৰয়েলছে সুন্দৰ আৰম্ভণি কৰে যদিও দিল্লীৰ বলাৰসকলে ৰাজস্থানক ২০ অভাৰত ৮টা উইকেটৰ বিনিময়ত ২০১ ৰানত সীমিত ৰাখিবলৈ সমৰ্থ হয়।

০০০০০০

সমাপ্ত